অসম

তিনিচুকীয়াত অইল ইণ্ডিয়া লিমিটেডৰ সহযোগত স্থাপন হ'ব আইটিআই ক্লাষ্টাৰ

তিনিচুকীয়াত অইল ইণ্ডিয়া লিমিটেডৰ সহযোগত বিশেষ আইটিআই ক্লাষ্টাৰ স্থাপন কৰাৰ কথা ঘোষণা কৰিছে ৰাজ্য চৰকাৰে।

প্ৰকাশ: ২৪ নৱেম্বৰ ২০২৬, পুৱা ১১:৩৪



Tinsukia ITIs to get Oil India-linked skill cluster (NewzNow graphic)

ৰাজ্যৰ ঔদ্যোগিক প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি তিনিচুকীয়াত অইল ইণ্ডিয়া লিমিটেডৰ সহযোগত এটা বিশেষ আইটিআই ক্লাষ্টাৰ স্থাপন কৰা হ'ব। ৰাজ্যখনৰ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান (আইটিআই) আৰু দক্ষতা বিকাশ ব্যৱস্থাক বিশ্বমানৰ উৎকৃষ্টতা কেন্দ্ৰলৈ ৰূপান্তৰ কৰাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ৪ হাজাৰ কোটি টকাৰো অধিক ব্যয়বহুল আঁচনিৰ অধীনত এই পদক্ষেপ লোৱা হৈছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত সদৰী কৰা মতে, ৰাজ্যৰ কাৰিকৰী শিক্ষা ব্যৱস্থাক নতুন মাত্ৰা দিবলৈ চৰকাৰে এই বৃহৎ পৰিকল্পনা হাতত লৈছে। তিনিচুকীয়াত অইল ইণ্ডিয়া লিমিটেডৰ সৈতে আৰু যোৰহাটত নুমলীগড় শোধনাগাৰ লিমিটেডৰ সহযোগত এনে পিএছইউ-সমৰ্থিত ক্লাষ্টাৰসমূহ গঢ়ি তোলা হ'ব। উত্তৰ-

পূর্বাঞ্চলৰ মূল ঔদ্যোগিক চাহিদাৰ সৈতে সংগতি ৰাখি যুৱক-যুৱতীসকলক কাৰিকৰীভাৱে দক্ষ কৰি তোলাই ইয়াৰ মূল উদ্দেশ্য।

মুখ্যমন্ত্রীগৰাকীয়ে জনোৱা মতে, টাটা টেকন'লজিছ আৰু বিশ্বৰ ২০টাতকৈ অধিক মূল সঁজুলি নির্মাতা প্রতিষ্ঠানৰ সহযোগত ২,৩৯০ কোটি টকাৰো অধিক ব্যয়েৰে ৰাজ্যৰ ৭৭টা কাৰিকৰী প্রতিষ্ঠানৰ আধুনিকীকৰণ কৰা হৈছে। ইয়াৰ ভিতৰত ৪৩খন আইটিআই আৰু ৩৪খন পলিটেকনিক অন্তর্ভুক্ত। এই আঁচনিৰ জৰিয়তে স্থানীয় যুৱক-যুৱতীসকলে নিজৰ জিলাতেই ইলেক্ট্রিক বাহন, উদ্যোগিক ৰবটিক্স, থ্রী-ডি প্রিণ্টিং, আইঅ'টি আৰু এআই-চালিত উৎপাদনৰ দৰে আধুনিক বিষয়ত প্রশিক্ষণ লাভ কৰিছে।

ইয়াৰ উপৰিও গ্রাম্যাঞ্চলৰ শিক্ষানুষ্ঠানসমূহলৈ কাৰিকৰী শিক্ষা সম্প্রসাৰণৰ বাবে টাটা নেলকো আৰু সমগ্র শিক্ষা অভিযানৰ সহযোগত ৬০০ কোটি টকাৰ বিদ্যালয় দক্ষতা নেটৱর্ক গঢ়ি তোলাৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰ অধীনত ৫০টা উপগ্রহ-সংযোগী দক্ষতা কেন্দ্র আৰু ৫০০টা শাখা কেন্দ্র স্থাপন কৰা হ'ব, যাতে ঔদ্যোগিক পর্যায়ৰ প্রশিক্ষণ কেৱল চহৰতেই সীমাবদ্ধ নাথাকি গাঁৱৰ শ্রেণীকোঠালৈকে বিস্তাৰিত হয়।

অৱশ্যে তিনিচুকীয়াত স্থাপন হ'বলগীয়া এই বিশেষ ক্লাষ্টাৰটোৰ নির্মাণ কার্য কেতিয়া সমাপ্ত হ'ব নাইবা ইয়াত কিমানখন আসন থাকিব, সেই সন্দর্ভত বিতং তথ্য এতিয়ালৈকে প্রকাশ কৰা হোৱা নাই।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5732/tinsukia-iti-oil-india-cluster-skill